অসম দাপোণ

বিধায়কৰ পুঁজি মোকলাই নিদিয়াত

এক পৃষ্ঠাৰ পৰা নাই বিধায়ক সকলো। সেই কাৰণে ব্যৱহাৰিক প্ৰমাণপত্ৰ দাখিল কৰা সত্ত্বেও বহু বিধায়কে চলিত বিত্তীয় বৰ্ষৰ বিধায়ক পুঁজিৰ ধন এই পৰ্যন্ত লাভ কৰা নাই। এই কথা আজি শাসক-বিৰোধী উভয় পক্ষৰ কেঁবাজনো বিধায়কে ক্ষোভেৰে প্ৰকাশ কৰে। উল্লেখ্য যে সমষ্টিৰ উন্নয়নমূলক কাম পূৰ্বৰ তুলনাত বেছিকৈ কৰাৰ সুবিধাৰ্থে সৰ্বানন্দ সোণোৱাল চৰকাৰে বিধায়ক পুঁজিৰ পৰিমাণ দুই কোটি টকালৈ বৃদ্ধি কৰে। তদুপৰি ৭৫ শতাংশ পুঁজি ব্যৱহাৰৰ প্ৰমাণপত্ৰ দাখিল কৰিলেই পৰৱৰ্তী বৰ্ষৰ ধন বিধায়কসকলে মোকলাই নিবলৈ সক্ষম হ'ব বুলিও নিৰ্দেশনা জাৰি কৰিছে।

পূৰ্বৰ চৰকাৰৰ দিনত বিধায়ক পুঁজিৰ ধন সময়মতে মুকলি কৰি নিদিয়াৰ অভিযোগ তুলি নতুন চৰকাৰখনে এই সিদ্ধান্ত গ্ৰহণ কৰিছিল; কিন্তু প্ৰয়োজনীয় চৰ্ত পূৰণ কৰা সত্ত্বেও বিধায়কসকলে প্ৰাপ্য পুঁজি সময়মতে লাভ নকৰা বুলি অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত মিত্ৰজোঁট চৰকাৰৰে অংশীদাৰ অসম গণ পৰিষদ (অগপ)ৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই কয় যে তেওঁ যোৱা বছৰৰ ব্যৱহাৰিক প্ৰমাণপত্ৰ কেতিয়াবাই দাখিল কৰিছে যদিও চলিত বৰ্ষৰ পুঁজি এই পৰ্যন্ত লাভ কৰা নাই। চলিত বিত্তীয় আঠমাহ উকলি যোৱা সত্ত্বেও পুঁজি হাতত নপৰাত সমষ্টিৰ কাম পিছুৱাই যোৱা বুলি কলিতাই ক্ষোভেৰে কয়। কংগ্ৰেছৰ বিধায়ক আব্দুল খালেকে অভিযোগ কৰে তেওঁ চৰ্ত অনুসৰি ব্যয় কৰা ধন ব্যৱহাৰৰ প্ৰমাণপত্ৰ দাখিল কৰাৰ ডেৰমাহ পাৰ হৈ গৈছে। অথচ এই পৰ্যন্ত চলিত বৰ্ষৰ পুঁজি লাভ কৰা নাই। সেয়েহে চৰকাৰক ঘোষণা কৰা অনুসৰি কাম কৰিবলৈ খালেকে আহ্বান জনায়।

কংগ্ৰেছৰে আন এজন বিধায়ক ৰাজদ্বীপ গোৱালাইও কয় যে বিধায়ক পুঁজিৰ ধন তেওঁ লগতে আন কে'বাজনো বিধায়কে সময়মতে লাভ নকৰা বুলি শুনিছে। তেওঁ চৰকাৰক প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ আহ্বান জনায়।

প্ৰমাণ নষ্ট কৰাৰ বিনিময়ত গড়চুকত

এক পৃষ্ঠাৰ পৰা তদানীন্তন ভাৰপ্ৰাপ্ত বিষয়া প্ৰণৱ ডেকা আৰু তদন্তকাৰী বিষয়া আব্দুল লতিফ মজুমদাৰক গ্ৰেপ্তাৰ কৰা হয়। আৰক্ষী বিষয়াদ্বয়ক গ্ৰেপ্তাৰৰ পাছত বিগত ২০০৯ৰ আজিৰ দিনটোত সংঘটিত হোৱা ঘটনাটোৰ অন্তৰালৰ বহু তথ্য ক্ৰমে পোহৰলৈ আহিছে।

এক বৃহৎ ষড়যন্ত্ৰৰ অংশ হিচাপে হৰকান্ত দলৈৰ লগতে পত্নী, দুই জীয়ৰী, পুত্ৰ আৰু ভতিজাকক হত্যা কৰা হৈছিল বুলি চি আই ডি নিশ্চিত হৈছে। তেনে ক্ষেত্ৰত এই ষড়যন্ত্ৰৰ নেতৃত্ব কোনে দিছিল তাক লৈও স্বাভাৱিকতে প্ৰশ্ন উত্থাপিত হৈছে। দীৰ্ঘদিন ধৰি চৰ্চা চলি আহিছে যে এই সমগ্ৰ কাণ্ডৰ মূল ব্যক্তিজন হ'ল প্ৰাক্তন মন্ত্ৰী তথা দিছপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক অকন বৰা। যোগদলৰ এক বৃহৎ ভূমিক সামৰি এক পঞ্চতাৰকা হোটেল নিৰ্মাণৰ বাবেই এই হত্যাকাণ্ড সংঘটিত কৰা হৈছিল বুলি অভিযোগ উঠি আহিছে। যোৱা সময়ছোৱাত এই চৰ্চাৰ ভিত্তিত সংশ্লিষ্ট কাকোৰেই তদন্তকাৰী আৰক্ষীয়ে সোধ-পোছ নকৰিলে; কিন্তু শেহতীয়াকৈ ধৃত আৰক্ষী বিষয়া প্ৰণৱ ডেকাই জেৰাৰ সময়ত প্ৰাক্তন বিধায়কজনৰ নাম উল্লেখ কৰে বুলি আৰক্ষী সূত্ৰত প্ৰকাশ। চি আই ডিয়ে ডেকাক হত্যাকাণ্ডটোৰ তথ্য প্ৰমাণ নষ্ট কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছে। সেই বিষয়ে সোধ-পোছ কৰাত আৰক্ষী বিষয়াজনে এক বিশেষ চক্ৰৰ হেঁচাত তেওঁ সেই কাম কৰিবলৈ বাধ্য হোৱা বুলি সদৰী কৰে। চক্ৰটোৰ মূল মানুহজন অকন বৰা বুলি জানিবলৈ পোৱাৰ কথা ডেকাই আৰক্ষীক অৱগত কৰে। প্ৰসংগক্ৰমে আৰক্ষী বিষয়াজনৰ সন্দৰ্ভত পোহৰলৈ আহিছে আন এক তথ্যও। এই সন্দৰ্ভত সূত্ৰটোৱে জনায় যে তথ্য প্ৰমাণ নষ্ট কৰা আৰু ঘটনাটোক অন্য দিশলৈ ঢাল খুওৱাত সফল হোৱাৰ পুৰস্কাৰ স্বৰূপে তেতিয়াই ডেকাক মহানগৰীৰ গড়চুকত ষড়যন্ত্ৰকাৰী চক্ৰটোৱে এটুকুৰা ভূমি উপহাৰ হিচাপে আগবঢ়াইছিল। এই খবৰৰ ভিত্তিত সম্প্ৰতি তীব্ৰ অনুসন্ধান অব্যাহত আছে। এই সম্পৰ্কত অসম আৰক্ষী সঞ্চালকপ্ৰধান মুকেশ সাহায়ে আজি 'দৈনিক অগ্ৰদূত'ক কয় যে ধৃত বিষয়া দুজনক সঠিকভাৱে জেৰা কৰা হৈছে আৰু ইয়াৰ তদন্তও সঠিক দিশত আগবাঢ়িছে। উল্লেখ্য যে হৰকান্ত দলৈৰ বাসগৃহটো ঘটনাৰ দুদিন পাছতে জ্বলাই দিয়া হৈছিল। ধৃত ভাৰপ্ৰাপ্ত বিষয়াজনৰ নিৰ্দেশত হত্যাকাণ্ডটো সংঘটিত হোৱা ঘৰটো জ্বলাই দিছিল হৰকান্ত দলৈৰ জ্যেষ্ঠ ভ্ৰাতৃ নিৰ্মল দলৈয়ে। সেই কামটো কৰিবলৈ তেওঁক বাধ্য কৰোৱা হৈছিল। ঘৰটোত মজুত থকা তথ্য প্ৰমাণ নষ্ট কৰিবলৈকে আৰক্ষী বিষয়া ডেকাই এই কাণ্ড সংঘটিত কৰিছিল।

ইপিনে, অতিশীঘ্ৰে চি আই ডিয়ে জেৰা কৰিব গুৱাহাটীৰ ফৰেনছিক পৰীক্ষাগাৰৰ প্ৰাক্তন উপ-সঞ্চালক পুষ্পক কুমাৰ বৰুৱাক। ঘটনাৰ সময়ত বৰুৱাই পৰীক্ষাগাৰটোৰ জীৱবিজ্ঞান শাখাৰ উপ-সঞ্চালক ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল আৰু তেওঁ তদন্ত প্ৰক্ৰিয়াত স্পষ্টভাৱে মাধমাৰ সোধাইছিল। শেহতীয়া তদন্ত প্ৰক্ৰিয়াত প্ৰাক্তন বিষয়াজনৰ সেই কাণ্ড বিশেষভাৱে উন্মোচিত হয়। চি আই ডি সূত্ৰত প্ৰকাশ যে সোণাপুৰ আৰক্ষীৰ তদন্তকাৰী দলে ঘটনাস্থলীৰ পৰা তেজৰ চেকুৰা লগা কাপোৰ, বমি, তেজ লগা গেঞ্জিৰ টুকুৰা আৰু যোনীৰস সংগ্ৰহ কৰি সেইবোৰ গুৱাহাটীস্থিত ফৰেনছিক পৰীক্ষাগাৰটোলৈ প্ৰেৰণ কৰিছিল; কিন্তু ইয়াৰ অধিকাংশ সমলেই পৰীক্ষাৰ বাবে পৰ্যাপ্ত নহয় বুলি কাৰণ দৰ্শাই পৰীক্ষাগাৰটোতে নষ্ট কৰি পেলোৱা হৈছিল। বিশেষকৈ যোনীৰসৰ ক্ষেত্ৰত উক্ত যুক্তি দৰ্শাই সমলখনি নষ্ট কৰি পেলোৱাৰ ফলত হত্যাকাৰীৰ চৰিত্ৰ নিৰ্ণয় কৰাটো আৰক্ষীৰ বাবে জটিল হৈ পৰে। এই কাৰ্যত পুষ্পক কুমাৰ বৰুৱা প্ৰত্যক্ষভাৱে জড়িত বুলি চি আই ডি নিশ্চিত হৈছে। সমল নষ্ট কৰি পেলোৱাৰ অধিকাৰ আইনে দিয়া নাই। গতিকে তাক নিঃশেষ কৰি পেলোৱাৰ প্ৰশ্নই আহিব নোৱাৰে। শেহতীয়া তদন্তত সন্দেহ কৰা হৈছে যে হত্যাৰ পূৰ্বে আততায়ীয়ে হৰকান্ত দলৈৰ জীয়ৰী সবিতা দলৈক যৌন নিৰ্যাতনো চলাইছিল। ধৃত আব্দুল লতিফ মজুমদাৰৰ ভাষ্যৰ আধাৰত এই সন্দেহ কৰা হৈছে বুলি আৰক্ষী সূত্ৰটোৱে সদৰী কৰে। কাৰণ তদন্তকাৰী বিষয়াজনে সংগ্ৰহ কৰা যোনীৰসৰ লগতে পুৰুষৰ বীৰ্যও কাপোৰত লাগি থকা বুলি সন্দেহ ওপজাৰ কথা জেৰাৰ সময়ত প্ৰকাশ কৰিছে।

দুজনক গ্ৰেপ্তাৰ কৰি দায় সাৰিলে নহ'ব ঃ আত্মীয়

সোণাপুৰৰ অগ্ৰদূত বাৰ্তা ঃ যোগদল হত্যাৰ তদন্তৰ নামত মাথোঁ দুজন অভিযুক্তক গ্ৰেপ্তাৰ কৰি চৰকাৰে দায় সাৰিলে নহ'ব বুলি মন্তব্য কৰিছে দুৰ্ভগীয়া হৰকান্ত দলৈৰ জ্যেষ্ঠ ভ্ৰাতৃ অভাজন দলৈয়ে। আজি ভ্ৰাতৃসহ তেওঁৰ পৰিয়ালৰ সদস্যসকলৰ আত্মাৰ সদ্‌গতি কামনা কৰি দলৈয়ে জনগোষ্ঠীয় ৰীতি-নীতিৰে আদ্যশ্ৰাদ্ধৰ আয়োজন কৰে। আদ্যশ্ৰাদ্ধ চলি থকাৰ সময়ত কান্দোনত ভাগি পৰি তেওঁ কয়, 'কি ভুল কৰিছিল মোৰ ভ্ৰাতৃ আৰু তাৰ পৰিয়ালে? সিহঁতক কিয় হত্যা কৰা হ'ল? চৰকাৰে দুজনমান আৰক্ষী বিষয়াক গ্ৰেপ্তাৰ কৰা বুলি শুনিছো। কিন্তু দুজনক গ্ৰেপ্তাৰ কৰিয়ে চৰকাৰে গা এৰা দিলে নহ'ব। হত্যাকাণ্ডত জড়িত সকলোকে গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক শাস্তি বিহিলে আমাৰ পৰিয়ালটোৱে ন্যায় পাব।' ২০০৯ৰ ১২ ডিচেম্বৰৰ নিশা ঘাতকে হৰকান্তৰ লগতে তেওঁৰ পত্নী স্বপ্না দলৈ, দুই কন্যা সবিতা (১৩) আৰু প্ৰণিতা (১০)ৰ লগতে পুত্ৰ অতুল (৮) আৰু ভতিজাক টুকুল (১০)ক বৰ্বৰতাৰে হত্যা কৰি উধাও হয়।

ইপিনে, লোমহৰ্ষক যোগদল কাণ্ডৰ অষ্টম বৰ্ষপূৰ্তি উপলক্ষে আজি ইয়াৰ কৰ্ছিয়া খেলপথাৰত ডিমৰীয়া নাগৰিক সুৰক্ষা সমিতিৰ উদ্যোগত এক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত ডিমৰীয়া আঞ্চলিক ছাত্ৰ সন্থা, ডিমৰীয়া জিলা জনজাতি সংঘ, কাৰ্বি ছাত্ৰ সন্থা, আটছা, তিৱা ছাত্ৰ সন্থা আদিৰ নেতৃবৃন্দই অংশ লৈ যোগদল কাণ্ডত লিপ্তসকলক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক শাস্তি বিহাৰ দাবী উত্থাপন কৰে। ইপিনে, এই লোমহৰ্ষক ঘটনাক লৈ বোকা ছটিওৱাৰ ৰাজনীতি নকৰিবলৈ আৰু দোষীক দৃষ্টান্তমূলক শাস্তি বিহিবলৈ আজি দিছপুৰ সমষ্টি যুৱ কংগ্ৰেছে এক সমদল উলিয়ায়। সমদলকাৰীসকলে স্থানীয় বিধায়ক অতুল বৰাৰ পুত্তলিকাও দাহ কৰে। সমদলত ডিমৰীয়া, দিছপুৰ, বেলতলা, নুনমাটি আৰু চন্দ্ৰপুৰ ব্লক কংগ্ৰেছৰ কৰ্মীসকলে অংশগ্ৰহণ কৰে।

পুনৰ জাগ্ৰত হৈ উঠিল ধাৰাবাহিক

এক পৃষ্ঠাৰ পৰা সাক্ষীয়ে। বিশেষ ন্যায়াধীশ অপৰেশ চক্ৰৱৰ্তীৰ বিশেষ আদালতত সাক্ষ্যদানৰ সময়তে ঘটনাৰ ভয়াৱহতা বিৱৰণ কৰি আজি পুনৰ শোকবিহ্বল হৈ পৰে ভুক্তভোগীসকল।

মোৰ শৰীৰৰ সকলো কাপোৰ ভস্মীভূত হৈছিল ঃ লোহিত কুমাৰ

২০০৮ৰ ৩০ অক্টোবৰত সংঘটিত বোমা বিস্ফোৰণৰ ফলত চিৰদিনৰ বাবে ঘূণীয়া হৈ পৰা মহানগৰীৰ হেঙেৰাবাৰী নিবাসী অট'চালক লোহিত কুমাৰেও আজি সাক্ষ্য প্ৰদান কৰে বিশেষ আদালতত। পত্নী ৰীতা কুমাৰীৰ লগত তেওঁ আদালতত উপস্থিত হয়। ইয়াৰ কিছু সময় পাছতে বোমা বিস্ফোৰণৰ ভয়াৱহতাৰ বিৱৰণ দি আদালতত ভুক্তভোগী কুমাৰে কয়, 'যিদিনা (২০০৮ৰ ৩০ অক্টোবৰ) মই ১০-৩০-১১ বজাৰ ভিতৰত নিজৰ অট'ৰিক্সাখনেৰে আহি গণেশগুৰিৰ উৰণীয়া সেতুৰ তলত পাৰ্কিং কৰি অট'খনৰ সন্মুখত থিয় দিছিলো। ইয়াৰ পাছতে প্ৰচণ্ড শব্দ কৰি সন্মুখত থকা বিভিন্ন যান-বাহন জ্বলি উঠা প্ৰত্যক্ষ কৰাই নহয়, বহুলোকে চিঞৰ-বাখৰ কৰি দৌৰা-দৌৰি কৰা দেখিছিলো। মোৰ মুখমণ্ডল আৰু সোঁ-ভৰিত কিহবাই আঘাত কৰাত বাওঁচকুত হাত দি দৌৰি পলাবলৈ চেষ্টা কৰিছিলো। শৰীৰত থকা সকলো কাপোৰ ছিন্ন-ভিন্ন হোৱাত কেৱল আণ্ডাৰৱেৰ পৰিধান কৰি কিছু দূৰ দৌৰ মাৰো যদিও মই পৰি যাওঁ।' ইয়াৰ পাছত সিদিনা কি হ'ল সেয়া মনত নাই বুলি উল্লেখ কৰি তেওঁ কয় যে পাছত নিজকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ বিছনাত উদ্ধাৰ কৰে। ঘটনাৰ পাছত অচেতন হৈ পৰি থকাত কোনে তুলি নিছিল সেই বিষয়েও জ্ঞাত নহয় বুলি তেওঁ আদালতক জনায়। বৰ্তমানো শৰীৰত স্প্লিণ্টাৰ কঢ়িয়াই লৈ ফুৰা কুমাৰে আদালতত পুনৰ কয়, 'মোৰ সোঁভৰি আৰু বাঁওহাতত বোমাৰ স্প্লিণ্টাৰ থকা বুলি চিকিৎসকে জনাইছে। হঠাতে মোৰ শৰীৰ আজিও অকামিলা হৈ পৰাত সঠিকভাৱে কাম কৰিব নোৱাৰা হৈছো। বাওঁ চকুৰে ভালদৰে আজিও মণিব নোৱাৰো। সেয়ে আগৰ দৰে কোনো কাম কৰিব নোৱাৰি পৰিয়াল পোহপাল দিয়াত অসুবিধাৰ সন্মুখীন হৈ আহিছো।' নিজা ব্যয়ৰে চিকিৎসা গ্ৰহণ কৰি থাকিবলগীয়া হোৱা বুলি উল্লেখ কৰি তেওঁ পুনৰ কয় যে বোমা বিস্ফোৰণৰ সময়ত চিকিৎসা সেৱা বিনামূলীয়া আছিল; কিন্তু এতিয়া নিজে ব্যয় বহন কৰিব লাগে চিকিৎসাৰ। সেই সময়তে কেন্দ্ৰীয় চৰকাৰে এক লাখ টকা আৰু ৰাজ্য চৰকাৰে ৫০ হেজাৰ টকাৰ এককালীন সাহায্য আগবঢ়োৱা বুলিও কুমাৰে আদালতক জনায়। অনুৰূপ ধৰণে আদালতত আজি সাক্ষ্য প্ৰদান কৰে ৰূপনগৰৰ ৰিংকি এটায়াৰ্ছৰ স্বত্বাধিকাৰী চাৰা ফ্ৰান্সিছে। ঘটনাৰ সময়ত ব্যৱসায়িক প্ৰতিষ্ঠানৰ ভিতৰত থকাৰ কথা সদৰী কৰি তেওঁ কয়, 'মোৰ ব্যৱসায়িক প্ৰতিষ্ঠানত কৰ্মৰত মেৰী আৰু মমী নামৰ কৰ্মচাৰী দুগৰাকী বিস্ফোৰণৰ ফলত আহত হৈছিল। প্ৰচণ্ড শব্দ কৰি হোৱা বিস্ফোৰণৰ সময়ত মই ব্যৱসায়িক প্ৰতিষ্ঠানৰ ভিতৰতে আছিলো।' পাণবজাৰস্থিত গীৰ্জাৰ কাষত থকা ব্যৱসায়িক প্ৰতিষ্ঠানখন অৱশ্যে বৰ্তমানে নাই বুলিও তেওঁ আদালতক জনায়। একেদৰে বিশেষ ন্যায়াধীশ চক্ৰৱৰ্তীৰ আদালতত আজি সাক্ষ্য প্ৰদান কৰে পাণবজাৰত সংঘটিত বিস্ফোৰণত নিহত সমৰজিৎ কলিতাৰ পিতৃ কবিত্ৰ কলিতায়ো। পুত্ৰ শোকত দগ্ধ কলিতাই কয়, 'পাণবজাৰ গীৰ্জাৰ কাষত 'চিল্ক কুইন' নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানখনত সিদিনা (৩০ অক্টোবৰ, ২০০৮) কৰ্মচাৰীৰ লগতে মোৰ পুত্ৰ সমৰজিৎ কলিতাও আছিল। ব্যৱসায়িক প্ৰতিষ্ঠানখনৰ বাহিৰত থিয় দি থকা সময়তে সমৰজিতৰ ডিঙিত প্ৰচণ্ড জোৰে কিহবাই খুন্দা মাৰিছিল। ইয়াৰ পাছতে সমৰজিতে দৌৰি যায় যদিও পাণবজাৰ আৰক্ষী থানাৰ কাষত পৰি যায়। পাছত সমৰজিতৰো মৃত্যু হয়।' ঘটনাৰ সময়ত অৱশ্যে সিদিনা মহানগৰীৰ গীতানগৰস্থিত বাসগৃহত থকা বুলিও শোক বিহ্বল কলিতাই আদালতক জনায়। গুৱাহাটী কলেজত অধ্যয়নৰত সমৰজিতে দেউতাকক সহায় কৰিবলৈকে সিদিনা নিজৰ ব্যৱসায়িক প্ৰতিষ্ঠানলৈ যোৱা বুলিও তেওঁ আদালতক জনায়।

আদালতত সাক্ষ্য প্ৰদান কৰা সাক্ষীৰ সংখ্যা ৮৮ জনলৈ বৃদ্ধি

বোমা বিস্ফোৰণৰ ৮৩৫ জনৰ ভিতৰত আদালতত সাক্ষ্য প্ৰদান কৰা সাক্ষীৰ সংখ্যা ৮৮ জনলৈ বৃদ্ধি পায়। 'দৈনিক অগ্ৰদূত'ৰ আগত আজি এই কথা সদৰী কৰি পদকীয়া পক্ষৰ অধিবক্তা মানস শৰণীয়াই কয়, 'কালিৰে পৰা চি বি আইৰ বিশেষ আদালতত আৰম্ভ হোৱা বিচাৰ প্ৰক্ৰিয়াত সাক্ষ্য গ্ৰহণৰ বাবে পাঁচজন সাক্ষীলৈ আদালতে চমন জাৰি কৰে। কোনো এজন সাক্ষীয়ে কালি আদালতত উপস্থিত নহ'ল। অৱশ্যে আজি তিনিজন সাক্ষীয়ে সাক্ষ্য প্ৰদান কৰে। ইয়াৰ লগে লগে আদালতত সাক্ষ্য প্ৰদান কৰা সাক্ষীৰ সংখ্যা ৮৮ জনলৈ বৃদ্ধি পায়।' অতি খৰতকীয়াভাৱে চমন জাৰি কৰা বাবেই সময়মতে সাক্ষী আদালতত উপস্থিত হোৱাত জটিলতাৰ সৃষ্টি হোৱা বুলি তেওঁ জনায়।

পুনৰ ১০ সাক্ষীলৈ চমন

দ্ৰুতভাৱে বিচাৰ প্ৰক্ৰিয়া চলোৱাৰ স্বাৰ্থত চি বি আইৰ বিশেষ ন্যায়াধীশ চক্ৰৱৰ্তীয়ে পুনৰ আন ১০ জন সাক্ষীলৈ চমন জাৰি কৰিছে। কেউজনকে কাইলৈ আদালতত হাজিৰৰ নিৰ্দেশ দিয়া বুলি কয় সংশ্লিষ্ট গোচৰৰ চৰকাৰী অধিবক্তা সঞ্জীৱ লহকৰে।

প্ৰতিদিনে আদালতত হাজিৰ থকাৰ অপাৰগতা প্ৰকাশ চৰকাৰী অধিবক্তাৰ

ধাৰাবাহিক বোমা বিস্ফোৰণৰ সন্দৰ্ভত আৰম্ভ হোৱা দ্ৰুত বিচাৰ প্ৰক্ৰিয়াত প্ৰতিদিনে আদালতত উপস্থিত থকাৰ ক্ষেত্ৰত অপাৰগতা প্ৰকাশ কৰিছে চৰকাৰী অধিবক্তা সঞ্জীৱ লহকৰে। এই বিষয়ে লিখিতভাৱে চি বি আইক আৰু বিশেষ ন্যায়াধীশ চক্ৰৱৰ্তীক অৱগত কৰিছে। ইয়াৰ ভিত্তিত চি বি আয়ে নতুন অধিবক্তা সংশ্লিষ্ট গোচৰৰ বাবে নিয়োগ কৰা বুলি তেওঁ জনায়। ইয়াৰ আগেয়ে প্ৰতিদিনে আদালতত উপস্থিত থকাৰ ক্ষেত্ৰত পদকীয়া পক্ষৰ অধিবক্তা মানস শৰণীয়ায়ো লিখিতভাৱে ন্যায়াধীশক জনাইছিল।

বিচাৰ প্ৰক্ৰিয়াত অনুপস্থিত ৰঞ্জন দৈমাৰী

এন ডি এফ বিৰ স্বয়ম্ভু অধ্যক্ষ ৰঞ্জন দৈমাৰী আজি বিশেষ আদালতত উপস্থিত থকাৰ পৰা বিৰত থাকে। সংশ্লিষ্ট ঘটনাৰ লগত জড়িত থকাৰ অভিযোগত ইতিমধ্যে জালত পৰা এন ডি এফ বিৰ ১৪ জন কেডাৰ আদালত কক্ষত উপস্থিত থাকে। ধৃত কেডাৰসকলৰ ভিতৰত দুগৰাকী মহিলাও আছে। কেউজন অভিযুক্তকে আজি পুৱাৰ ভাগত চি বি আইৰ বিশেষ আদালতত হাজিৰ কৰায় গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰ কৰ্তৃপক্ষই।

ডিব্ৰুগড়ত বোমাতংক ঃ চাৰি ঘণ্টাৰ উৎকণ্ঠাৰ অন্তত ওলাল ফটকা

অগ্ৰদূত বাৰ্তা

ডিব্ৰুগড়, ১২ ডিচেম্বৰ ঃ আজি পুৱাই ডিব্ৰুগড়ৰ আমোলাপট্টী আৰক্ষী চকীৰ নিচেই কাষত সৃষ্টি হয় বোমাতংকৰ। আমোলাপট্টী আৰক্ষী চকীৰ গাতে লাগি থকা পেট্ৰল ডিপোৰ সমীপত এখন ট্ৰেভেলাৰত ওলাই বোমাৰ বিস্ফোৰক সামগ্ৰী। যোৰহাটৰ পৰা অহা এ-এছ-০৬-বিচি ১১৫৬ নম্বৰৰ ট্ৰেভেলাৰখনত পুৰা এটা বেগক লৈ সৃষ্টি হয় আতংকৰ। ট্ৰেভেলাৰখনত যোৱা ১০ ডিচেম্বৰত যোৰহাটৰ কোনো লোকে সেই বেগটো চালকজনক ডিব্ৰুগড়ত গৰাকীয়ে বেগটো লৈ যাব বুলি অৱগত কৰিছিল। ট্ৰেভেলাৰ চালকজনৰ ফোন নম্বৰো সংগ্ৰহ কৰিছিল বেগ দিয়া ব্যক্তিজনে। কিন্তু দেওবাৰে ট্ৰেভেলাৰখন ডিব্ৰুগড় আহি পোৱাৰ পাছতো কোনো ব্যক্তিয়ে সেই বেগটো সংগ্ৰহ কৰিবলৈ অহা নাছিল। আনকি কালিও বেগটো নিবলৈ কোনো নহাত চালকজনৰ সন্দেহ ওপজে আৰু আজি পুৱাই ডিব্ৰুগড় আমোলাপট্টী আৰক্ষী চকীৰ আৰক্ষীক সমগ্ৰ বিষয়টো জনাই চালকজনে। ইয়াৰ পাছতেই সৃষ্টি হয় বেগটোক কেন্দ্ৰ কৰি বোমাতংক। প্ৰথমে বেগটোৰ সামগ্ৰী সন্দেহজনক আৰু বোমা থকাৰ সম্ভাৱনীয়তালৈ লক্ষ্য কৰি আৰক্ষীয়ে চহৰৰ কাষৰ নৈপৰীয়া মথাউৰিৰ সিপাৰে ব্ৰহ্মপুত্ৰৰ কাষৰ চাপৰিৰ সমীপত বেগটো থোৱাৰ ব্যৱস্থা কৰে। ইয়াৰ পাছতেই সেনা বাহিনী আৰু আৰক্ষীয়ে সতৰ্কতা অৱলম্বন কৰি বোমা বিশেষজ্ঞক খবৰ দিয়ে। চেপা উত্তেজনাৰ মাজতে শ শ লোক ওলাই আহে বোমা প্ৰত্যক্ষ কৰিবলৈ। ইয়াৰ পাছতেই উপস্থিত হয় সেনাৰ উচ্চ পদস্থ বিষয়া, বোমা বিশেষজ্ঞ, স্নিফাৰ ডগসহ। প্ৰাৰম্ভিক অনুসন্ধানত বেগটোত বিস্ফোৰক থকাতো নিশ্চিত কৰে সেনাই। প্ৰায় চাৰি ঘণ্টা ধৰা উত্তেজনাৰ অন্ত পেলাই থানাত উপস্থিত হয় বেগটোৰ গৰাকী। আৰক্ষী আৰু বেগটোৰ গৰাকীৰ মতে প্ৰকৃততে এইয়া আছিল যোৰহাটৰ পৰা বিবাহৰ বাবে এটা ইভেণ্ট মেনেজমেণ্ট গ্ৰুপে ডিব্ৰুগড়লৈ পঠিওৱা ফটকা সদৃশ সামগ্ৰী। ডিব্ৰুগড় গাভৰু পথাৰ আৰক্ষী চকীৰ অন্তৰ্গত অঞ্চলত বসবাস কৰা ইভেণ্ট মেনেজমেণ্টৰ নিকেশ জালান নামৰ এজন লোকলৈ কোনো বিবাহ অনুষ্ঠানৰ বাবে পঠিয়াই দিয়া ফটকা জাতীয় সামগ্ৰীহে আছিল বেগটোত। কলগছ সদৃশ ফটকাত থকা বিস্ফোৰকৰ বাবেই বেগটোত বিস্ফোৰক থকাতো নিশ্চিত হৈছিল সেনা বোমা বিশেষজ্ঞৰ লগতে স্নিফাৰ ডগৰ অনুসন্ধানত। নিকেশে জনোৱা মতে ১০ ডিচেম্বৰত আছিল বিয়া। সামগ্ৰীখিনি প্ৰয়োজন নাই বুলিও যোৰহাটৰ ইভেণ্ট মেনেজমেণ্ট গ্ৰুপক জনাইছিল যদিও সঠিক যোগাযোগৰ অভাৱত কোনো বিয়াৰ কামত ব্যস্ত থকাৰ বাবেই সামগ্ৰীখিনি এনেদৰে ডিব্ৰুগড় পালে।

নগা চুক্তি ৰাজহুৱা কৰাৰ দাবীত

এক পৃষ্ঠাৰ পৰা কোনো ক্ষতি নহয় বুলি অলপতে কেন্দ্ৰীয় গৃহমন্ত্ৰী ৰাজনাথ সিঙে কৰা ঘোষণাত মুঠেও আশ্বস্ত হোৱা নাই ডিমা হাছাওবাসী। ৰহস্যজনক কাৰণত কেন্দ্ৰই গোপনে ৰখা চুক্তিখনৰ তথ্য ৰাজহুৱা কৰাৰ দাবীত আজি পাহাৰীয়া জিলাখনৰ হেজাৰ হেজাৰ লোকে পথ অৱৰোধ কৰে। ডিমা হাছাও অল এপেক্স ব'ডী নামৰ সংগঠনটোৰ উদ্যোগত দিয়ুংব্ৰা জালাই হচম, সদৌ ডিমাছা ছাত্ৰ সন্থা, ডিমাছা ছাত্ৰ সন্থা, গাঁওবুঢ়া সন্থাকে ধৰি বিভিন্ন দল-সংগঠনে মাইবাং আৰু হাফলঙত আজি ৰেল অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰে। এই উদ্দেশ্যে অগণন লোক পুৱাই ঘৰৰ পৰা ওলাই অহাৰ পাছত দিয়ুংব্ৰাত আৰক্ষীয়ে বাধা দিয়ে। তেতিয়া প্ৰতিবাদকাৰীসকলে ঘাইপথ অৱৰোধ কৰি 'তেজ আৰু প্ৰাণ দিম, কিন্তু এক ইঞ্চিও মাটি নগালেণ্ডক নিদিওঁ', 'নাগালিম গ' বেক', 'এন এছ চি এন গ' বেক' ধ্বনিৰে বহু সময় ধৰি পৰিৱেশ উত্তাল কৰি ৰাখে। প্ৰতিবাদকাৰীসকলে উপগ্ৰহীয় স্বায়ত্তশাসিত পৰিষদ গঠনৰো বিৰোধিতা কৰে। অৱৰোধৰ ফলত উমৰাংছ'-হাফলং-লংকা পথত তীব্ৰ যান-জঁটৰ সৃষ্টি হয়। সেয়েহে বহু যান-বাহনৰ যাত্ৰীয়ে খোজেৰে লক্ষ্যস্থানলৈ যাত্ৰা কৰে। পাছত আৰক্ষী-প্ৰশাসনে পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

পানীৰ ৰং সলনি ব্ৰহ্মপুত্ৰৰ

এক পৃষ্ঠাৰ পৰা এইবাৰ অৰুণাচল প্ৰদেশৰ পাছিঘাটলৈ যাত্ৰা কৰিলে জলসম্পদ মন্ত্ৰী কেশৱ মহন্তই। মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ ভিত্তিত আজি এটা দলসহ মন্ত্ৰীজনে ডিব্ৰুগড়ৰ বগীবিল ঘাটৰ পৰা এখন বিশেষ নাৱেৰে ব্ৰহ্মপুত্ৰৰ বুকুৰে পাছিঘাটলৈ যাত্ৰা কৰে। এই যাত্ৰাৰ সময়ত দলটোৱে ব্ৰহ্মপুত্ৰৰ পানীৰ নমুনা সংগ্ৰহ কৰিব। ইতিমধ্যে বগীবিল ঘাটত দলটোৱে পানীৰ নমুনা সংগ্ৰহ সম্পন্ন কৰিলে। যাত্ৰাপথত দলটোৱে ঠায়ে ঠায়ে পানীৰ নমুনা সংগ্ৰহ কৰিব যাব। অৱশেষত পাছিঘাটত উপস্থিত হৈ ছিয়াঙৰ পানী সংগ্ৰহৰ পাছত মন্ত্ৰীজনে হেলিকপ্টাৰত উঠি গুৱাহাটীলৈ যাত্ৰা কৰিব বুলি জনায়। ব্ৰহ্মপুত্ৰৰ পানী ঘোলা হোৱাৰ কাৰণ বিচাৰি ছিয়াঙলৈ যাত্ৰা কৰি মন্ত্ৰী মহন্তই আজি বগীবিলৰ দলং নিৰ্মাণস্থলীত উপস্থিত হয়। মন্ত্ৰীজনৰ এই ভ্ৰমণৰ সমান্তৰালভাৱে জলসিঞ্চন বিভাগেও ব্ৰহ্মপুত্ৰৰ পানীৰ নমুনা সংগ্ৰহ অব্যাহত ৰাখিছে।

মন্ত্ৰী মহন্তই কয় যে ব্ৰহ্মপুত্ৰৰ এই সমস্যা সমাধানৰ বাবে চৰকাৰে সকলো ব্যৱস্থাই গ্ৰহণ কৰিব। প্ৰয়োজনত বিদেশী ৰাষ্ট্ৰৰ স'তে আলোচনা কৰিবলৈয়ো ভাৰত চৰকাৰ সাজু আছে বুলি তেওঁ জনায়। চীনৰ ষড়যন্ত্ৰৰ বাবে নে প্ৰাকৃতিক কাৰণত নদখনৰ পানীৰ অস্বাভাৱিক পৰিৱৰ্তন ঘটিছে, সেই তথ্য উদ্ধাৰৰ উদ্দেশ্যে তেওঁ এই যাত্ৰা লোৱা বুলি জনায়।

মহাবীৰ জৈনসহ দুই বৃহৎ

এক পৃষ্ঠাৰ পৰা জৈন আৰু আনজন দীপক ৰোলাৰ ফ্লৱ মিলৰ স্বত্বাধিকাৰী দীপক মোৰ। আজি আয়কৰ বিভাগৰ এটা ২৫ জনীয়া দল কে'বাটাও গোটত বিভক্ত হৈ ব্যৱসায়ী দুজনৰ বিৰুদ্ধে অভিযান চলায়। সমগ্ৰ উত্তৰ-পূবৰ চিমেণ্টৰ বজাৰ নিয়ন্ত্ৰণ কৰা জৈনে এই ব্যৱসায়ৰ লেন-দেনত সৰ্বাধিক কৰ ফাকি দিয়াৰ অভিযোগ উত্থাপিত হৈছে।

আয়কৰ বিভাগৰ সূত্ৰই জনোৱা মতে, ব্যৱসায়ী জৈনে সময়মতে কৰ পৰিশোধ কৰিলেও তাৰ মাজতে নথি-পত্ৰত কৌশলেৰে প্ৰকৃত আয়ৰ পৰিমাণ গাপ দিয়াৰ তথ্য উদ্ধাৰ কৰে বিভাগটোৱে। চিমেণ্টৰ উপৰি আন ব্যৱসায়তো তেওঁ কৰ ফাকি দিবলৈ এনে কৌশল অৱলম্বন কৰা বুলি সন্দেহ কৰি বিভাগটোৱে আজি ব্যৱসায়ীজনৰ মহানগৰীৰ পাণবজাৰস্থিত বাসভৱন, ফাঁচীবজাৰস্থিত কামৰূপ চেম্বাৰ্ছ কমাৰ্চৰ কাৰ্যালয় আৰু আঠগাঁৱত থকা ব্যক্তিগত কাৰ্যালয়ত অভিযান চলায়। পুৱা ৮-৩০ বজাৰ পৰা আয়কৰৰ এই অভিযান আৰম্ভ হয়। আনহাতে, জৈনৰ আঠগাঁওস্থিত কাৰ্যালয়ত আয়কৰ বিভাগৰ দলক প্ৰৱেশত একাংশ কৰ্মচাৰীয়ে বাধা দিয়ে। ফলত অভিযানকাৰীয়ে কাৰ্যালয়টোত প্ৰৱেশৰ বাবে আৰক্ষীৰ সহায় ল'বলগীয়া হয়। জৈনৰ বাসগৃহৰ পৰা আপত্তিজনক নথি-পত্ৰ উদ্ধাৰ হয় বুলি আয়কৰ বিভাগৰ সূত্ৰত প্ৰকাশ।

আনহাতে, দীপক মোৰৰ জি এছ ৰোডস্থিত বাসগৃহ আৰু দীপক ৰোলাৰ ফ্লৱ'ৰ মিলত আয়কৰ বিভাগৰ দুটা দলে আজি অভিযান চলায়। সন্ধিয়া পৰ্যন্ত চলা এই অভিযানৰ সময়ত ফ্লৱ'ৰ মিলৰ পৰা কিছু নথি-পত্ৰ জব্দ কৰে অভিযানকাৰীয়ে।

বিদ্যুতৰ তাঁৰত লাগি দুটা বন্যহস্তীৰ

এক পৃষ্ঠাৰ পৰা হেমাহিত দুটাকৈ বন্যহস্তীয়ে প্ৰাণ হেৰুৱালে। যোৱা নিশা চামগুৰিৰ গেন্ধালী পথাৰত দুটাকৈ প্ৰকাণ্ড মখনা বনৰীয়া হাতী বিদ্যুৎস্পৃষ্ট হৈ মৃত্যুমুখত পৰে। শেহতীয়াভাৱে অঞ্চলটোত হাতী-মানুহৰ সংঘাতে জটিল ৰূপ ধাৰণ কৰাৰ সময়তে সংঘটিত এই অনাকাংক্ষিত ঘটনাই স্থানীয় ৰাইজক শোকাহত কৰিছে। স্থানীয় লোকে ঘটনাটোৰ বাবে শক্তি বিভাগক জগৰীয়া কৰিছে। কাৰণ হাতী দুটা লাগি ধৰা বিদ্যুতৰ তাঁৰ মাটিৰ পৰা মাথোঁ ১২ ফুট উচ্চতাত আছিল। অথচ এই বিদ্যুৎ পৰিবাহী তাঁৰেৰে ১১ কিলো ভল্ট বিদ্যুৎ প্ৰৱাহ হয়।

স্থানীয় লোকৰ ভাষ্যৰ উদ্ধৃতি দি বন বিভাগে প্ৰকাশ কৰা অনুসৰি বিগত এমাহতকৈ অধিক দিন এটা ২২টা হাতীৰ জাকে অঞ্চলটোৰ গেন্ধালী হাবিত অৱস্থান কৰি আছে। যোৱা নিশা হাতীৰ জাকটোৱে খাদ্যৰ সন্ধানত জংঘলৰ পৰা ওলাই অহাৰ সময়তে ইয়াৰ দুটা বিদ্যুৎস্পৃষ্ট হয়। উচ্চ ক্ষমতাসম্পন্ন বিদ্যুৎ পৰিবাহী তাঁৰ এটা হাতীয়ে শুঁৰেৰে ঠেলি দিয়াত লগে লগে হাতীটো বিদ্যুৎস্পৃষ্ট হৈ মৃত্যুমুখত পৰে। তাৰ গাতে লাগি থকা আন এটা হাতীৰ দেহেৰেও বিদ্যুৎ প্ৰবাহিত হোৱাত দ্বিতীয়টো হাতীৰো থিতাতে মৃত্যু হয়। আজি বন বিভাগৰ লোকে মৃত হাতী দুটা ঘটনাস্থলীৰ ওচৰতে পুতি থয়। স্থানীয় লোকে অভিযোগ কৰা অনুসৰি এই উচ্চ ক্ষমতাসম্পন্ন বিদ্যুতৰ তাঁৰ ঠিক কৰিবলৈ দুবাৰকৈ জনোৱা আবেদন শক্তি বিভাগৰ স্থানীয় উপ-সংমণ্ডল বিষয়া কাৰ্যালয়ে মুঠেও গুৰুত্ব দিয়া নাই।

দুবছৰীয়া পুত্ৰক বুকুত সাবটি

এক পৃষ্ঠাৰ পৰা আগত জঁপিয়াই আত্মহত্যা কৰে। ছালাকাটি ছান্দিয়া গাঁৱৰ চন্দন হাসদাই তেওঁৰ দুবছৰীয়া কণমানি পুত্ৰ সুনীলক বুকুত সাবটি লৈ ৰেলৰ চিৰিত শুই পৰে। নামনিমুৱা মালবাহী ৰেলৰ চেপাত চন্দন হাসদাৰ মূৰটো দেহৰ পৰা সম্পূৰ্ণৰূপে বিচ্ছিন্ন হোৱাৰ লগতে শিশুটিৰো ঘটনাস্থলীতে মৃত্যু হয়। ইপিনে, ঘটনাটো সংঘটিত হোৱাৰ পাছতে ৰেল গাড়ীখনৰ চালকে কোকৰাঝাৰ ৰেলৱে ষ্টেছনৰ পৰিচালকক ঘটনা সন্দৰ্ভত অৱগত কৰে। পাছত মৃত পিতা-পুত্ৰৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। পুত্ৰক বুকুত সাবটি আত্মহত্যা কৰা ঘটনা সন্দৰ্ভত গাঁওখনৰ গাঁওবুঢ়াই সদৰী কৰা মতে, চন্দনৰ পৰিয়ালত পৰিয়ালকেন্দ্ৰিক কন্দলৰ লগতে আৰ্থিক অনাটনে জুৰুলা কৰিছিল। যাৰ বাবে তেওঁ এইদৰে আত্মহত্যা কৰে বুলি সন্দেহ কৰিছে। সন্দেহ কৰা মতে, কণমানি সন্তানটোৱে সেই সময়ত টোপনিত লালকাল দি আছিল। পিতৃৰ নিষ্ঠুৰতাৰ বলি হোৱা কণমানি সুনীলৰ লগতে চন্দনৰ মৃত্যুত শোকৰ ছাঁ পৰিছে।

আৰক্ষী-সেনাৰ চোৰাংগিৰি কৰাৰ কাৰণ

এক পৃষ্ঠাৰ পৰা বজাত ছয়-সাতজনীয়া উগ্ৰপন্থী দলৰ তিনিজনে নিহত অন্তেশ্বৰ মহন্তৰ বাসগৃহত প্ৰৱেশ কৰি তেওঁৰ লগতে পুত্ৰ কৰুণ মহন্তক গুলীয়াই হত্যা কৰে। আৰক্ষীৰ চোৰাংচোৱাই লাভ কৰা তথ্য অনুসৰি তিনিচুকীয়া জিলাত বিগত কিছুদিন ধৰি আলফাৰ এটা সশস্ত্ৰ দলে ধনদাবী-অপহৰণেৰে সন্ত্ৰাস সৃষ্টি কৰি আহিছে। বিগত কিছুদিন ধৰি জিলাখনত সন্ত্ৰাস সৃষ্টিৰ পৰিকল্পনাৰে আলফাৰ এটা ছজনীয়া দল বিচৰণ কৰাৰ বিষয়ে চোৰাংচোৱাই তথ্য লাভ কৰাৰ লগতে এই বিষয়টো বিয়পি পৰাত গঞা ৰাইজ আতংকিত হয়। স্থানীয় ৰাইজৰ একাংশই কয় যে বৰডুমচা আৰক্ষী থানা আৰু পেঙেৰী আৰক্ষী থানাৰ অধীনস্থ একাংশ অঞ্চল আলফা (স্বাধীন)ৰ আশ্ৰয়স্থলী। কিছুদিন পূৰ্বে বৰডুমচা আৰক্ষী থানাৰ অন্তৰ্গত কোনাপথাৰত আলফাই চাহ বাগিচাৰ পৰিচালকলৈ গুলিচালনাৰ ঘটনাই ইতিমধ্যে সন্ত্ৰাসিত কৰি ৰাখিছিল অঞ্চলবাসীক। এনে পৰিস্থিতিৰ মাজতে কালি আলফাই নিচেই ওচৰৰ পৰা পিতা-পুত্ৰক গুলীয়াই হত্যা কৰাত অঞ্চলজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজে জনোৱা মতে, ছজনীয়া দলটোৰ তিনিজন সদস্যই দুয়োকে গুলীয়াই ঘটনাস্থলীৰ পৰা আঁতৰি যোৱাৰ পাছত ৰাইজে মজিয়াত বাগৰি পৰি থকা গুলিবিদ্ধক ব্যক্তিগত বাহনত ততাতৈয়াকৈ তিনিচুকীয়া অসামৰিক চিকিৎসালয়লৈ নিয়া অৱস্থাতে অন্তেশ্বৰ মহন্তৰ মৃত্যু হয়। আনহাতে, পুত্ৰ কৰুণে চিকিৎসালয় প্ৰাণত্যাগ কৰে। উল্লেখ্য যে এটি পুত্ৰ আৰু দুই কন্যা সন্তানৰ পিতৃ অন্তেশ্বৰ মহন্ত গাঁওৰক্ষী বাহিনীৰ উপ-সভাপতিৰ লগতে বিজেপিৰ বুথ পৰ্যায়ৰ সক্ৰিয় কৰ্মী আছিল। নিহত পুত্ৰ কৰুণেও আছুৰ কাকপথাৰ আঞ্চলিক সমিতিৰ উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি যোৱা দুমাহ পূৰ্বে আছুৰ পৰা অব্যাহতি লৈ সংসাৰ যাত্ৰা আৰম্ভ কৰিছিল। বেজালি বৃত্তিৰ স'তে জড়িত মহন্তই পূৰ্বে ডিৰাক গোসাঁইগাঁৱত বাস কৰিছিল আৰু কেইবছৰমান পূৰ্বে শিমলুগুৰিত ঘৰ সাজি নিগাজীকৈ থাকিবলৈ লয়। স্থানীয় ৰাইজৰ মাজত চলি থকা চৰ্চা অনুসৰি মৃত মহন্তক আলফা (স্বাধীন)ই বহুবাৰ ধন দাবীপত্ৰ প্ৰেৰণ কৰিছিল আৰু ফোন বাৰ্তাযোগে বিচৰা ধন নিদিলে হত্যাৰ ভাবুকি দিছিল। চাৰি বছৰ পূৰ্বে আলফাই তেওঁক ৫০ লাখ টকা দাবী কৰা বুলি স্থানীয় সূত্ৰত প্ৰকাশ। দৰিদ্ৰ অৱস্থাৰ পৰা হঠাতে তেওঁ সম্পদশালী হৈ উঠা ঘটনাই সন্দেহৰ সৃষ্টি কৰা বুলি মন্তব্য কৰি স্থানীয় একাংশ ৰাইজে কয় যে নিহত মহন্তক আলফাই অহৰহ ভাবুকি দি অহাৰ বিষয়ে সকলোৱে জ্ঞাত। একাংশ স্থানীয় ৰাইজৰ মাজত চলি থকা চৰ্চা অনুসৰি ২০০৬ত সংঘটিত কাকপথাৰৰ ডিৰাক গোসাঁইগাঁৱত আলফাই গুলীয়াই হত্যা কৰা অজিত মহন্তৰ গুপ্তধন সদৃশ কাৰণ আছে অন্তেশ্বৰৰ হত্যাৰ আঁৰত। গুপ্তধনৰ বাবে সাম্প্ৰতিক ঘটনাও সংঘটিত হ'ব পাৰে বুলি স্থানীয় ৰাইজে সন্দেহ প্ৰকাশ কৰি কয় যে গুপ্তধনৰ স'তে মৃত অন্তেশ্বৰ জড়িত থকা বুলি দীৰ্ঘদিন ধৰি চৰ্চা চলি আছে। মন কৰিবলগীয়া যে ২০০৬ৰ পূৰ্বলৈ কাকপথাৰ ডিৰাকৰ গোসাঁইগাঁৱত বাস কৰিছিল নিহত অন্তেশ্বৰ মহন্ত। আলফাৰ গুপ্তধন ৰখাও হত্যাৰ কাৰণ হ'ব পাৰে বুলি একাংশ স্থানীয় ৰাইজে ক'ব বিচাৰে।

মাৰ্ঘেৰিটা সমষ্টিৰ বিধায়ক ভাস্কৰ শৰ্মাৰ স'তেও ঘনিষ্ঠ সম্পৰ্ক আছিল অন্তেশ্বৰ মহন্তৰ। আগন্তুক পঞ্চায়ত নিৰ্বাচনত তেওঁ বিজেপিৰ হৈ কৈলাশপুৰ পঞ্চায়তত প্ৰতিদ্বন্দ্বিতাৰ বাবেও সাজু হৈছিল বুলি স্থানীয় সূত্ৰত প্ৰকাশ। আৰক্ষী সূত্ৰত প্ৰকাশ যে জিলাখনত আলফাৰ দুৰ্ধৰ্ষ নেতা ৰূপম অসমৰ নেতৃত্বত বিভিন্ন ধৰণৰ ঘটনা সংঘটিত হৈছে। সেনা-আৰক্ষীৰ মূৰৰ কামোৰণি হৈ পৰিছে ৰূপম অসম।

আনহাতে, আলফা (স্বাধীন)ৰ সহকাৰী তথ্য আৰু প্ৰচাৰ সম্পাদক মেজৰ অৰুণোদয় অসমে এক বিবৃতিত কয় যে নিহত অন্তেশ্বৰ মহন্ত আৰু তেওঁৰ পুত্ৰ কৰুণ মহন্তই ভাৰতীয় দখলদাৰী বাহিনী আৰু অসম আৰক্ষীৰ হৈ দীৰ্ঘদিন ধৰি চোৰাংগিৰি কৰি আহিছিল। 'লগতে আমাৰ সহযোদ্ধাৰ পৰিয়াল-পৰিজনলৈ ৰাষ্ট্ৰ সন্ত্ৰাসৰ ভীতি প্ৰদৰ্শন আৰু ধনৰ লোভ দেখুৱাই আত্মসমৰ্পণ কৰিবলৈ প্ৰৰোচিত কৰাৰ বাবে ইতিপূৰ্বে তিনিবাৰ সকীয়াই দিয়া হৈছিল। পৰিতাপৰ বিষয় যে সংশোধিত হোৱাৰ পৰিৱৰ্তে তেওঁ প্ৰতিবিপ্লৱী কাৰ্য অব্যাহত ৰাখিছিল। জাতীয় মুক্তি বিপ্লৱৰ বিৰুদ্ধে চোৰাংগিৰি কৰাসকলৰ পৃষ্ঠভূমি যিয়েই নহওক কিয়, এনে দুষ্কাৰ্যৰ ক্ষেত্ৰত আমাৰ সংগঠনে শূন্য সহনশীল নীতি গ্ৰহণ কৰিছো।' মৃত অন্তেশ্বৰ মহন্তৰ পৰা আলফাই সংগঠনৰ পুঁজিৰ বাবে কাহানিও সামান্য আৰ্থিক বৰঙণি বিচৰা নাই বুলি বিবৃতিত উল্লেখ। এই ক্ষেত্ৰত কাৰোবাৰ হাতত তথ্য থাকিলে ৰাজহুৱা কৰাৰ বাবে আলফাই আহ্বান জনাইছে। 'থলগিৰি জাতি-জনগোষ্ঠীৰ স্বাৰ্থত নিবেদিত প্ৰাণ আমাৰ সংগঠনক 'নিৰীহৰ আদিপাঠ' শিকাওঁতাসকলে বৈৰী সুচতুৰ ৰাষ্ট্ৰযন্ত্ৰৰ জাতিধ্বংসী অভিযানক প্ৰতিহত কৰক! লগতে পৰিস্থিতিনিৰ্ভৰ ৰাজনীতিৰে সত্যক বিপথে পৰিচালিত নকৰি সমাজ বাস্তৱতাৰ গূঢ়াৰ্থ সঠিকভাৱে মূল্যায়ন কৰিবলৈ অনুৰোধ জনালো।' এইদৰে উল্লেখ কৰা হয় আলফাৰ বিবৃতিত।

ইপিনে, অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান মুকেশ সাহায়ে আলফাৰ ভাষ্যক নস্যাৎ কৰি 'দৈনিক অগ্ৰদূত'ক কয় যে নিহত পিতা-পুত্ৰ আলফাৰ 'ছফ্‌ট টাৰ্গেট'। এই সন্দৰ্ভত তিনিজন আলফাৰ যোগসূত্ৰকাৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে বুলিও তেওঁ সদৰী কৰে। দেৰগাঁৱৰ অগ্ৰদূত বাৰ্তাই জনোৱা মতে, আজি এক অনুষ্ঠানত আৰক্ষী সঞ্চালকপ্ৰধানে কয় যে তিনিচুকীয়া জিলাকে ধৰি কিছু কিছু ঠাইত আলফা (স্বাধীন)ৰ ধনদাবী কৰা আৰু বৰডুমচাৰ আৰক্ষী থানাৰ অন্তৰ্গত সোণজান শিমলুগুৰি গাঁৱত দুজন নিৰীহক হত্যা কৰা ঘটনাই আলফাৰ শক্তি বৃদ্ধি হোৱা বুলি প্ৰমাণ নকৰে। একাংশ আশাহত আলফা (স্বাধীন)ৰ সদস্যই অস্তিত্ব জাহিৰৰ বাবেও উক্ত দুষ্কাৰ্য সংঘটিত কৰিছে বুলি তেওঁ কয়।

মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ নোহোৱা বাবে

এক পৃষ্ঠাৰ পৰা নিদিয়াৰ ফলত ৰাজ্যৰ উন্নয়ন প্ৰক্ৰিয়াত মাধমাৰ পৰা বুলি আজি মন্তব্য কৰে মিত্ৰদল অসম গণ পৰিষদ (অগপ)ৰ জ্যেষ্ঠ নেতা তথা বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা। আজি অসম বিধানসভা ভৱনত কলিতাই কয় যে বিষয়টো বাৰম্বাৰ পিছুৱাই থকাক লৈ তেওঁলোক আচৰিত হৈছে। অথচ এই কথাটো স্পষ্ট যে যোৱা ডেৰ বছৰতো পূৰ্ণাংগ মন্ত্ৰীসভাখন গঢ়ি নুঠাত ইয়াৰ প্ৰভাৱ ৰাজ্যৰ উন্নয়ন ব্যৱস্থাত পৰিছে। এজন মন্ত্ৰীয়ে বহুকেইটা বিভাগ চম্ভালিবলগীয়া হোৱাত আটাইবোৰ বিভাগে সমান গুৰুত্ব লাভ কৰা নাই। 'এয়া স্বাভাৱিক আৰু সেই কাৰণে বিষয়টোৰ লগত জড়িত সকলে ইয়াক অনুধাৱন কৰা উচিত।' এই বুলিও মন্তব্য কৰি কলিতাই অতি সোনকালে এই ক্ষেত্ৰত গুৰুত্ব দিবলৈ মুখ্যমন্ত্ৰী সোণোৱালক আহ্বান জনায়।

ইপিনে, বিজেপিৰ পৰাই এইবাৰৰ গুণগুণনিৰ সূত্ৰপাত ঘটিছে। দলৰ ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাসে শেহতীয়াকৈ মুখ্যমন্ত্ৰী সোণোৱালৰ লগত এই বিষয়ে বাৰ্তালাপ কৰে আৰু মন্ত্ৰীসভাখনক শীঘ্ৰে পূৰ্ণাংগ ৰূপ দিয়াৰ বাবে আহ্বান জনায়। সম্ভৱ হ'লে আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে এই কাম সম্পন্ন কৰাৰো আহ্বান জনাইছে। কাৰণ তেতিয়াহে মাৰ্চত অনুষ্ঠিত হ'বলগীয়া বাজেট অধিৱেশনৰ সময়ত নতুন মন্ত্ৰীসকলে নিজৰ নিজৰ বিভাগৰ ওপৰত বক্তব্য দাঙি ধৰিবলৈ সময় পাব। গুজৰাটৰ বিধানসভা নিৰ্বাচনৰ পাছতে এই ক্ষেত্ৰত তৎপৰতা গ্ৰহণ কৰিবলৈও সভাপতিজনৰ লগতে দলটোৰ কে'বাজনো জ্যেষ্ঠ নেতাই সোণোৱালক আহ্বান জনাইছে। প্ৰসংগক্ৰমে দিছপুৰৰ এক সূত্ৰই জনায় যে ইতিমধ্যে বিজেপিৰ ৰাষ্ট্ৰীয় নেতৃত্বই মন্ত্ৰীসভা সম্প্ৰসাৰণৰ কৰ্তৃত্ব সোণোৱালক অৰ্পণ কৰিছে। গুজৰাটৰ নিৰ্বাচনৰ বাবে বিশেষভাৱে ব্যস্ত হৈ পৰাৰ আগমূৰ্তত্তে দলটোৰ নেতৃত্বই সোণোৱালক সেই কৰ্তৃত্ব দি থোৱা বুলি দলীয় সূত্ৰত প্ৰকাশ।

এই প্ৰসংগতে দিছপুৰৰ সূত্ৰই জনায় যে মন্ত্ৰীসভা সম্প্ৰসাৰণৰ বাবে বিজেপিৰ উপৰি মিত্ৰ দল অসম গণ পৰিষদ আৰু বি পি এফৰ বিধায়কসকলে নিজ নিজ দলৰ মুৰব্বীক হেঁচা দি আছে; কিন্তু বিধায়কৰ সেই হেঁচাৰ বিপৰীতে দল দুটাৰ সভাপতি অতুল বৰা আৰু হাগ্ৰামা মহিলাৰীয়ে তৎপৰতা প্ৰদৰ্শনৰ পৰা বিৰত আছে। বৰঞ্চ দুয়োৱে সোণোৱালক এই ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ দায়িত্ব এৰি দিছে। অথচ দলৰ বিধায়কসকলৰ পৰা তেওঁলোকে ধাৰাবাহিক হেঁচা লাভ কৰি আছে। লক্ষ্যণীয়ভাৱে বিজেপিৰ বিধায়ক পদ্ম হাজৰিকাই আজি কৰা এক মন্তব্যই চৰকাৰৰ মিত্ৰ দল দুটাৰ নেতাদ্বয়ৰ ভূমিকাকে স্পষ্ট কৰে। হাজৰিকাই অসম বিধানসভা চৌহদত আজি কয়, 'মন্ত্ৰীসভা সম্প্ৰসাৰণ হ'লে ভাল; কিন্তু বিজেপি-বি পি এফৰ একাংশ নেতাহে এই ক্ষেত্ৰত সৰৱ হৈ আছে। তেওঁলোকৰ দলক নেতৃত্ব দিয়া সকল কিন্তু এই ক্ষেত্ৰত তৎপৰ হোৱাটো চকুত পৰা নাই।'

ড'কলামত চীনৰ কুচকাৱাজ

এক পৃষ্ঠাৰ পৰা চকু থৈ অৱস্থান কৰা ড'কালামৰ সেই নিৰ্দিষ্ট স্থানৰ পৰা ৪.৫ কিলোমিটাৰ দূৰত্বত অৱস্থিত। এই অঞ্চলত ভাৰতীয় সেনাৰ এখন চকীও আছে। দ্বিতীয়টো পথ এই বিবদমান স্থানৰ পৰা ৭.৩ কিলোমিটাৰ দূৰত্বত অৱস্থিত। পথটোৰ দৈৰ্ঘ্য প্ৰায় ১.২ কিলোমিটাৰ। এই দুটা পথৰ উপৰি বিবদমান অঞ্চলটোৰ ছিঞ্চে লা গিৰিপথৰ ওচৰতো চীনে এটা পথ নিৰ্মাণ কৰাৰ দৃশ্য ধৰা পৰিছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি কৃত্ৰিম উপগ্ৰহৰ জৰিয়তে তোলা বিবদমান অঞ্চলটোৰ বিগত ১৩ মাহৰ ফটো সম্প্ৰতি বিশ্লেষণ কৰা হৈছে। এনে বিশ্লেষণত যোৱা ১৭ অক্টোবৰৰ পৰা আঠ ডিচেম্বৰলৈ ড'কালামৰ বিবদমান অঞ্চলত চীনে কে'বাটাও পথ নিৰ্মাণৰ ফটো বন্দী হৈছে।

লক্ষ্যণীয় যে চীনৰ স'তে সম্পৰ্ক উন্নত কৰাৰ লক্ষ্যৰে কালি ভাৰতৰ বৈদেশিক মন্ত্ৰী সুষমা স্বৰাজে প্ৰতিবেশী দেশখনৰ বৈদেশিক মন্ত্ৰী ৱাং য়িক সাক্ষাৎ কৰে। বৈদেশিক মন্ত্ৰী দুগৰাকীৰ আলোচনাৰ পাছত দেশৰ বৈদেশিক মন্ত্ৰণালয়ে প্ৰকাশ কৰে যে সম্প্ৰতি চীন-ভাৰতৰ দ্বিপাক্ষিক সম্পৰ্কই নতুনকৈ গুৰুত্ব লাভ কৰিলে। ইয়াক ভাৰত সন্তুষ্ট হৈ থকাৰ সময়তে ড'কালামত চীনে গোপনে পথ নিৰ্মাণ কৰাৰ তথ্য ফাদিল হৈছে। কেৱল সেয়াই নহয়, চুবুৰীয়া দেশখনে ড'কালামক কেন্দ্ৰ কৰি সৃষ্টি হোৱা পৰিস্থিতিয়ে দুয়ো দেশৰ দ্বিপাক্ষিক সম্পৰ্কত গভীৰ চাপ বহুৱালে বুলি আখ্যা দিছে। তদুপৰি বিগত বছৰত দুয়োখন দেশে পৰস্পৰৰ মাজত আস্থা বৃদ্ধিৰ উদ্দেশ্যে গ্ৰহণ কৰা ব্যৱস্থা সন্তোষজনক নহয় বুলি চীনৰ বৈদেশিক মন্ত্ৰণালয়ে প্ৰকাশ কৰিছে। অৱশ্যে স্বৰাজৰ স'তে আলোচনা সফল আখ্যা দি বৈদেশিক মন্ত্ৰী য়িয়ে কয়, 'দ্বিপাক্ষিক সম্পৰ্কৰ পৰিপক্কতাক প্ৰতিফলিত কৰি কূটনৈতিক পথেৰে আমাৰ সংঘাত দূৰ কৰা হ'ল। অৱশ্যে পৰিস্থিতিৰ পৰা শিকা উচিত আৰু সম্পৰ্ক ক্ষতি কৰিব পৰা কাৰক এৰাই চলা উচিত।'

অপৰাধী ৰাজনীতিকৰ বিচাৰৰ বাবে

এক পৃষ্ঠাৰ পৰা এইসকলৰ বিৰুদ্ধে ৰুজু হোৱা গোচৰৰ বিচাৰৰ অগ্ৰগতিৰ খতিয়ান কেন্দ্ৰৰ পৰা বিচাৰে। তদুপৰি ৰাজনীতিকৰ অপৰাধ গোচৰ নিষ্পত্তিৰ বাবে কেনে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে, তাৰ তথ্যও ন্যায়ালয়ে বিচাৰে। ফলস্বৰূপে সাধাৰণ জনতাৰ বাবে অত্যন্ত উদ্বেগৰ বিষয় ৰাজনীতিকৰ অপৰাধক লৈ নীৰৱ ভূমিকা পালন কৰা নৰেন্দ্ৰ মোদী চৰকাৰৰ নিদ্ৰা ভংগ হয়। ন্যায়পালিকাই গ্ৰহণ কৰা এই কঠোৰ স্থিতিত সেও হৈ আজি কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰণালয়ে এই সহস্ৰাধিক অপৰাধী ৰাজনীতিকৰ দ্ৰুত বিচাৰৰ বাবে ১২খন বিশেষ আদালত স্থাপন কৰা হ'ব বুলি উচ্চতম ন্যায়ালয়ক অৱগত কৰে। সৰ্বোচ্চ ন্যায়ালয়ক আইন আৰু ন্যায় মন্ত্ৰণালয়ৰ অতিৰিক্ত সচিব ৰীতা বশিষ্ঠই আজি এক দুই পৃষ্ঠাৰ শপতনামা দাখিল কৰে। এই শপতনামত আনুষংগিক তথ্যৰ লগতে অহা এবছৰৰ ভিতৰত এই ১২ বিশেষ আদালত স্থাপন কৰা হ'ব বুলি উল্লেখ কৰা হৈছে। ইয়াৰে দুখন আদালতত কেৱল সাংসদৰ অপৰাধৰ গোচৰ বিচাৰ হ'ব। সম্প্ৰতি লোকসভাৰ ১৮৪জন সাংসদৰ বিৰুদ্ধে গোচৰ ৰুজু হৈ আছে। এইসকল সাংসদৰে বিচাৰ প্ৰস্তাৱিত দুখন বিশেষ আদালতত হ'ব। এনেদৰে বিভিন্ন ৰাজ্যত স্থাপন হ'বলগীয়া বিশেষ আদালতসমূহত সংশ্লিষ্ট ৰাজ্যসমূহৰ লগতে আন কেতবোৰ ৰাজ্যৰ অপৰাধী বিধায়কৰ গোচৰৰ বিচাৰ চলিব। অৱশ্যে অপৰাধৰ গোচৰ ৰুজু হৈ থকা ৰাজ্যসভাৰ ৪৪জন সাংসদৰো বিচাৰ এনে বিশেষ আদালততে হ'ব নে নাই, সেয়া শপতনামাখনত স্পষ্ট নহ'ল। এই সাংসদসকলৰ প্ৰসংগ শপতনামাখনত উল্লেখ নহ'ল। অতিৰিক্ত সচিব বশিষ্ঠই জনোৱা মতে, ২০১৪ৰ লোকসভা নিৰ্বাচন আৰু আঠখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ বাবে মনোনয়নপত্ৰৰ স'তে গাঁঠি দিয়া শপতনামাত ১,৫৮১জন প্ৰাৰ্থীয়ে তেওঁলোকৰ বিৰুদ্ধে বিভিন্ন অপৰাধৰ গোচৰ ৰুজু হৈ থকাৰ তথ্য প্ৰকাশ কৰে। তৎসত্ত্বেও মোদী চৰকাৰে অপৰাধী ৰাজনীতিকসকলৰ ক্ষেত্ৰত অজ্ঞাত কাৰণত ব্যৱস্থা গ্ৰহণৰ পৰা বিৰত থাকে। অথচ প্ৰধানমন্ত্ৰী মোদীয়ে লোকসভা নিৰ্বাচনৰ সময়ত অপৰাধী ৰাজনীতিকক কাৰগাৰলৈ পঠিওৱাৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু কেন্দ্ৰত বিজেপিৰ চৰকাৰ গঠনৰ পাছত বিষয়টো তল পৰে। চৰকাৰৰ এনে স্থিতিত ক্ষুব্ধ হৈ অশ্বিনী উপাধ্যায় নামৰ এজন অধিবক্তাই অপৰাধী ৰাজনীতিকসকলক নিৰ্বাচনত অৱতীৰ্ণ হোৱাত নিষেধাজ্ঞা আৰোপৰ আৰ্জিৰে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হয়। অধিবক্তাজনৰ আবেদনৰ ভিত্তিত ন্যায়ালয়ে অপৰাধী ৰাজনীতিকৰ বিচাৰ দ্ৰুততৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ কেন্দ্ৰলৈ কঠোৰ নিৰ্দেশ জাৰি কৰে। অৱশ্যে অপৰাধত দোষী সাব্যস্ত হৈ ন্যূনতম দুবছৰ কাৰবাস খটাৰ শাস্তি পোৱা সাংসদ-বিধায়কে পদ হেৰুওৱাৰ নিয়ম ইতিমধ্যে বলবৎ হৈছে।